**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ভাৰতীয় সংবিধানখন কেইটামান অনুচ্ছেদৰ সমষ্টি নহয়, বৰং ইয়াৰ প্ৰমূল্য আৰু শব্দসমূহে চৰকাৰৰ বাবে অতিশয় মূল্য বহন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত ৰাজ্যসভাত হোৱা আলোচনাৰ উত্তৰত এইকথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে চৰকাৰখনক পথ নিৰ্দেশনা প্ৰদান কৰিব পৰাকৈ সংবিধানখনক এটা আলোকগৃহ বুলিও অভিহিত কৰে।

বাবা চাহেব ভীমৰাও আম্বেদকাৰৰ অৱদানসমূহৰ শলাগ লৈ তেওঁ কয় যে, দেশৰ সংবিধানে সম্প্ৰতি ৭৫ বছৰ পূৰ কৰাৰ দিশে অগ্ৰসৰ হৈছে। নিজৰ বক্তব্যত শ্ৰীমোদীয়ে সম্প্ৰতি জনসাধাৰণৰ বাবে উৎসৱত পৰিণত হোৱা সংবিধান দিৱস উদযাপনৰ বিৰোধিতা কৰা সকলৰ সমালোচনা কৰে। তেওঁ কয় যে এন ডি এ চৰকাৰে তৃতীয় কাৰ্যকালত দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াটো প্ৰধান লক্ষ্য হিচাপে স্থিৰ কৰিছে। এই লক্ষ্য পূৰণৰ দিশত চৰকাৰে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণত চৰকাৰে অগ্ৰাধিকাৰ দিব বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে তৃতীয়টো কাৰ্যকালত দেশক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। দেশৰ জনসাধাৰণে পৰৱৰ্তী পাঁচটা বছৰত ৰাজহুৱা পৰিবহণ ব্যৱস্থাত সুদূৰ প্ৰসাৰী পৰিৱৰ্তন লক্ষ্য কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান যোজনাৰ অধীনত ১০ কোটিতকৈ অধিক কৃষক উপকৃত হৈছে আৰু বিগত ছটা বছৰৰ ভিতৰত কৃষকসকলৰ মাজত ৩ লাখ কোটি টকাতকৈ অধিক অনুদান বিতৰণ কৰা হৈছে। কোৱিড মহামাৰীয়ে সৃষ্টি কৰা প্ৰত্যাহ্বানৰ পাছতো ভাৰতীয় অৰ্থনীতি বিশ্বৰ পঞ্চম স্থানত উপনীত হ'বলৈ সমৰ্থ হৈছে বুলি তেওঁ উল্লেখ কৰে।

আনহাতে প্ৰধানমন্ত্ৰীয়ে বক্তব্য প্ৰকাশ কৰা সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চি, আম আদমী পাৰ্টি আৰু আন বিৰোধী দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি আহি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰাত সভাপতি জগদীপ ধনখড়ে তেঁওলোকক নিজ নিজ আসনলৈ উভতি যাবলৈ আহ্বান জনায়। ইয়াৰ পাছত বিৰোধী সাংসদসকলে সদন ত্যাগ কৰে। বিৰোধীৰ সদন ত্যাগৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীয়ে, তেওঁলোকৰ নিজে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ শুনিবলৈ সাহস নাই বুলি মত প্ৰকাশ কৰি এই কাৰ্যক তেওঁ উচ্চ সদনৰ প্ৰতি অৱজ্ঞা বুলি অভিহিত কৰে।

আনহাতে ৰাজ্যসভাৰ সভাপতিগৰাকীয়েও বিৰোধী পক্ষই সদন ত্যাগ কৰা কাৰ্যক লৈ অসন্তুষ্টি ব্যক্ত কৰে।

ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱাৰ সময়ত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক লৈ আলোচনা আৰম্ভ হোৱাৰ পাছতেই ইউ পি পি এল দলৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে এক্ট ইষ্ট পলিচিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে, চৰকাৰৰ এই নীতিয়ে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি কঢ়িয়াই আনিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনে ব্যাপক হাৰত উন্নয়নৰ মুখ দেখিছে বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে।

সদনত আজি উত্তৰ প্ৰদেশৰ হাথৰছত কালি পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

ইপিনে, ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা আজি অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা বুলি সভাপতি জগদীপ ধনখড়ে ঘোষণা কৰে।

০০০০০০০

অসমত বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষই জাৰি কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৮ খন জিলা বানৰ কবলত পৰিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা তথ্য অনুসৰি এই জিলাসমূহৰ মুঠ দুহেজাৰ ২০৮ খন গাঁৱৰ ১১ লাখ ৩৪ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানৰ ফলত ৰাজ্যৰ ৪২ হাজাৰ ৪৭৬ হেক্টৰ কৃষি ভূমি পানীত বুৰ গৈছে। চৰকাৰ আৰু প্ৰশাসনে স্থাপন কৰা ১৩০টা সাহায্য শিবিৰত ১৮ হাজাৰ ৪৫৯ জন লোকে আশ্ৰয় গ্ৰহণ কৰিছে। চৰকাৰী তথ্য অনুসৰি চলিত বৰ্ষৰ বানত ৩৮ জন লোকৰ মৃত্যু হৈছে।

ইপিনে, অসমৰ বান পৰিস্থিতি অত্যন্ত জটিল যদিও প্ৰশাসনে এই পৰিস্থিতিত জনসাধাৰণক সকাহ দিয়াৰ বাবে সকলো প্ৰচেষ্টা লৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ অতি কম সময়ৰ ভিতৰতে জনসাধাৰণ বানৰ সমস্যাৰ পৰা মুক্ত হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কামৰূপৰ গড়ল ভট্টাপাৰা আৰু ৰাণীচাপৰিৰ জনসাধাৰণৰ ওচৰলৈ গৈ বান পৰিস্থিতিৰ ফলত তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ বুজ লয়। তেওঁ ৰাইজক প্ৰশাসনৰ তৰফৰ পৰা সকলো সাহায্য আগবঢ়োৱা হ'ব বুলি আশ্বাস দিয়ে। কলিয়াবৰ মহকুমাৰ অন্তৰ্গত জখলাবন্ধাৰ সমীপৰ হাতীমূৰাৰ মথাউৰিটো কালি ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে ছিঙি নিয়াৰ পাছত উদ্ভৱ হোৱা বান পৰিস্থিতি তদাৰক কৰাৰ বাবে মন্ত্ৰী কেশৱ মহন্ত কলিয়াবৰত বাহৰ পাতি আছে। মন্ত্ৰীগৰাকীয়ে স্থানীয় প্ৰশাসনৰ জৰিয়তে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাহায্য আৰু বানৰ কবলত পৰাসকলক উদ্ধাৰ অভিযান ক্ষিপ্ৰ কৰি তুলিবলৈ মহকুমা প্ৰশাসনক নিৰ্দেশনা জাৰি কৰিছে। গোলাঘাট জিলাৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন স্থানত প্ৰশাসনে চিকিৎসা, সাহায্য আৰু পুনৰুদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে। জিলাখনত বানৰ সমান্তৰালকৈ খহনীয়াৰ ফলত জনসাধাৰণ ক্ষতিৰ সন্মুখীন হৈছে। গোলাঘাট জিলাৰ ধনশিৰিপাৰ শালমিৰা গাঁৱৰ দহটা পৰিয়াল খহনীয়াত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে তিনিটা পৰিয়ালৰ বাসগৃহ বাঢ়নী পানীয়ে বুৰাই পেলাইছে। মৰিগাঁও জিলাত ব্ৰহ্মপুত্ৰৰ বানে জিলাখনৰ মায়ং লাহৰিঘাট আৰু ভূৰাগাঁও ৰাজহচক্ৰৰ প্ৰায় ১৬০ খন গাঁও বুৰাই পেলোৱাত পৰিস্থিতি জটিল হৈ পৰিছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বিপজ্জনকভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ যাত্ৰীবাহী ফেৰী সেৱা অনিৰ্দিষ্ট কালৰ বাবে বাতিল কৰিছে।

পবিতৰা অভয়াৰণ্যৰ প্ৰায়ভাগ অঞ্চল সম্পূৰ্ণৰূপে বানত বুৰ গৈছে। বন্যপ্ৰাণীসমূহে ওখ ঠাইত আশ্ৰয় ল'বলগীয়া হৈছে। ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰো কেইবাটাও বন শিবিৰ বানত বুৰ যোৱাৰ ফলত বন্যপ্ৰাণীসমূহ কাৰ্বি আংলঙৰ দিশে ঢাপলি মেলিছে।

উল্লেখযোগ্য যে, অসমৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ তথা অন্যান্য নৈ-উপনৈসমূহ ওফন্দি ঠায়ে ঠায়ে মথাউৰি ছিগি বিভিন্ন অঞ্চল বুৰাই পেলাইছে। দুলীয়াজান সমষ্টিৰ টেঙাখাট হাতীবন্ধা ঘুমতলত বুঢ়ীদিহিং নৈৰ কাষতে থকা মথাউৰিটো কালি প্ৰায় ৫০ মিটাৰ অংশ ছিঙি যোৱাৰ ফলত দাঁতি কাষৰীয়া বিভিন্ন অঞ্চল বানত বুৰ যায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ ক্ৰমে কালিৰ নিশাৰ ভাগতে মন্ত্ৰী ৰঞ্জিত দাসে মথাউৰিটো পৰিদৰ্শন কৰি জিলা প্ৰশাসনক অধিক তৎপৰতাৰে বানপীড়িত ৰাইজৰ বাবে স্থাপন কৰা আশ্ৰয় শিৱিৰত খাদ্য-পানী-ঔষধ আদিৰ লগতে পশুধনৰ বাবেও আহাৰ যোগান ধৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

**সমাপ্ত**